# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মায়ো প্ৰতিদিনে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড়ত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জিলাখনৰ টিংখাং বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। এই উপলক্ষে টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত বিজয় সংকল্প সভাত তেওঁ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়। এই নিৰ্বাচনী সভাত মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকনৰ লগতে জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়ক, জিলা সভাপতি, সম্পাদক উপস্থিত থাকে।

ooooo

ৰাজ্যত চলিত বৰ্ষৰ প্ৰথম চাৰি মাহত ১১ হাজাৰৰো অধিক ৰেচন কাৰ্ড বাতিল কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা বিতৰণ বিভাগৰ তথ্যত এই কথা প্ৰকাশ পাইছে। বিভাগে প্ৰকাশ কৰা মতে জানুৱাৰীত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ৩১ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ ৮৮৯ খন কাৰ্ড বাতিল কৰা হৈছে। একেদৰে ফেব্ৰুৱাৰীত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ২২৮ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ ৪ হাজাৰ ৬৯২ খন কাৰ্ড বাতিল কৰা হৈছে। ইয়াৰোপৰি মাৰ্চত অন্ত্যোদয়া অন্ন যোজনাৰ অধীনৰ ৯১ খন আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়াল আঁচনি অধীনৰ এহেজাৰ ৬৬৭ খন কাৰ্ড বাতিল কৰা হৈছে। ৰাজ্যত এই মাহত বৰ্তমানলৈকে উভয় শিতানৰ ৪ হাজাৰ ৬১ খন ৰেচন কাৰ্ড বাতিল কৰা হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰীক্ষাত অবৈধ বুলি প্ৰমাণিত হোৱাৰ বাবে এই কাৰ্ডসমূহ বাতিল কৰা হৈছে।

ooooo

নৰৱেৰ ৰাষ্ট্ৰদূত এইচ ই মিছ মে-এলিন ষ্টেনাৰৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে আজি নগাঁৱত ৰূপায়িত হৈ থকা এনাক্ট-আছাম প্ৰকল্পৰ ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰে। জিলাখনৰ তিনিটা উন্নয়ন খণ্ড ক্ৰমে কঠিয়াতলি, পাখিমৰীয়া আৰু ৰহাত ৰূপায়ণ হৈ থকা প্ৰকল্পস্থলী পৰিদৰ্শন কৰাৰ লগতে কৃষকসকলৰ সৈতে মত বিনিময় কৰে। প্ৰতিনিধি দলটোৱে নিজ কঠিয়াতলি গাঁও পঞ্চায়তৰ সভাগৃহত বাওধানৰ চাউল বজাৰৰ বাবে মুকলি এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাষ্ট্ৰদূতগৰাকীৰ লগত ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালক ড০ পি উদয় প্ৰবীন, অসম কৃষি বিশ্ববিদ্যালয়ৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড০ হিৰণ্য কুমাৰ বৰা আৰু বিশ্ব খাদ্য কাৰ্যসূচীৰ জলবায়ু পৰিৱৰ্তনৰ প্ৰধান উপস্থিত থাকে। এই অনুষ্ঠানতে ৰাষ্ট্ৰদূতগৰাকীয়ে বাওধানৰ খেতিৰ লগত জড়িত ময়ূৰ উৎপাদক গোটৰ সদস্যসকলৰ লগতো মত বিনিময় কৰে। প্ৰতিনিধি দলটোৱে

এনাক্ট-আছাম প্ৰকল্পৰ জৰিয়তে কৃষকৰ সুবিধাৰ্থে অসম কৃষি বিশ্ববিদ্যালয়ে কৰি অহা ভিডিঅ’ কনফাৰেন্স আৰু উদ্ভিদৰ চিকিৎসা শিবিৰত যোগদান কৰি তাৰ পৰা কৃষকসকলে কিদৰে লাভান্বিত হ’ব সেই সন্দৰ্ভত বুজ লয়। আনহাতে ৰহা উন্নয়ন খণ্ডত এনাক্ট-আছাম প্ৰকল্পৰ অধীনত অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত পাহী আত্মসহায়ক গোটে কৰা বিজ্ঞানসন্মত কাঠফুলা খেতি পৰিদৰ্শন কৰি মহিলা কৃষকসকলক এই কাৰ্যৰ বাবে প্ৰতিনিধি দলটোৱে প্ৰশংসা কৰে।

০০০০০

তিৱা জনজাতীয় ব’হাগ বিহুৰ আজি অন্তিম দিনা গোভা ৰজা আৰু পশ্চিম নগাঁও ৰজাই সৈন্য-সামন্তৰ সৈতে ঢাল-তৰোৱালেৰে প্ৰতীকি যুদ্ধত অৱতীৰ্ণ হয়। ৰজাৰ এই প্ৰতীকি যুদ্ধ উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হয়। গোভা ৰজাৰ ব’হাগ বিহুৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে জাগীৰোডৰ বৰপামত অনুষ্ঠিত গোসাঁই মেলাত এই প্ৰতীকি যুদ্ধ অনুষ্ঠিত হৈ আহিছে। দুই ৰাজ্যৰ ৰজাই নিজ নিজ পাৰিষদবৰ্গৰ সৈতে তিৱা সকলৰ যাদুৰা গোসাঁইক নামঘৰৰ পৰা কান্ধত তুলি মেলাথলীত উপস্থিত হয়। ইয়াৰ পাছত পৰম্পৰাগত সাজপাৰ পৰিধান কৰি হাতত ঢাল-তৰোৱাল লৈ দুই ৰজাৰ পাৰিষদবৰ্গই ৰণনৃত্য কৰে।

০০০০০

ৰাজ্য চৰকাৰে বানৰ বিৰূপ প্ৰভাৱ কম কৰাৰ বাবে তিনি হাজাৰ ৬৩৪ কোটি টকাৰ বহুমুখী ৰণনীতি গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় বান আয়োগে প্ৰকাশ কৰা মতে অসমৰ প্ৰায় ৩১ হাজাৰ ৫০০ বৰ্গ কিলোমিটাৰ এলেকা বান প্ৰৱণ। আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনৰ বান প্ৰবন এলেকাৰ পৰিমাণ মুঠ ভূ-ভাগৰ প্ৰায় ৩৯ দশমিক ৫-৮ শতাংশ আৰু দেশৰ মুঠ বানপ্ৰৱণ এলেকাৰ ৯ দশমিক ৪-০ শতাংশ। আয়োগৰ প্ৰতিবেদনত লগতে ১৯৫০ চনৰ পৰা ৰাজ্যৰ প্ৰায় ৪ লাখ ২৭ হাজাৰ হেক্টৰ ভূমি খহনীয়াত জাহ গৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰবল বৃষ্টিপাত আৰু ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰিছে। প্ৰচণ্ড ধুমুহাৰ ফলত ধুবুৰী নগৰৰ বহু অঞ্চলত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰিছে। প্ৰবল বৃষ্টিপাত আৰু ধুমুহাৰ ফলত কেইবাটাও অঞ্চলত গছ-গছনি বাগৰি পৰাত যাতায়াত ব্যৱস্থাও ব্যাহত হৈ পৰিছে। এই বাতৰি যুগুতোৱা পৰলৈ ধুবুৰী নগৰৰ বহু অঞ্চলত বিদ্যুৎ যোগান বন্ধ হৈ আছে। বিদ্যুৎ যোগান ব্যাহত হৈ থকাৰ বাবে ধুবুৰী পৌৰসভাকে ধৰি জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে বিশুদ্ধ খোৱাপানীৰ যোগান ধৰিব পৰা নাই।

০০০০০

বজালী জিলাৰ সদৰ পাঠশালা নগৰৰ মিলনপুৰত আজি এজন কিশোৰৰ মৃতদেহ পানীৰ পৰা উদ্ধাৰ কৰা হৈছে। এছ ডি আৰ এফৰ সহায়ত আৰক্ষীয়ে এটা পুখুৰীৰ পৰা কুনাল বৰ্মন নামৰ কিশোৰজনৰ মৃতদেহ উদ্ধাৰ কৰে। মিলনপুৰ নিবাসী প্ৰণৱ বৰ্মনৰ পুত্ৰ কুনালৰ মৃত্যু সন্দৰ্ভত পাঠশালা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

০০০০০

সমাপ্ত